**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-04-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসমবাসীৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে আজি পুৱাৰে পৰা সন্ধিয়ালৈ নৈৰ ঘাট আৰু খাল-বিলসমূহত গঞাই গোহালিৰ গৰুসমূহ নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰে। পুৱাতে গোহালিৰ গৰুকেইটাক মাহ-হালধিৰে নোৱাই-ধোৱাই লাও-বেঙেনাৰ মালা পিন্ধাই, দীঘলতি, মাখিয়তিৰে কোবাই সন্ধিয়া গোধনক নপঘাৰে বান্ধি গোহালিৰ দুৱাৰমুখত বিভিন্ন বনজ উপাদানেৰে জাগ দি সেৱা যাঁচে।

কাইলৈ ৰাজ্যজুৰি মানুহ বিহু পালন কৰা হ'ব । অসমীয়া নতুন বছৰৰ প্ৰথম দিনা পুৱাতে গা ধুই কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাব। প্ৰিয়জনৰ পৰা আদৰৰ বিহুৱান লৈ ধন্য হ'ব। চিৰা-দৈ, বিভিন্ন পিঠা পনাৰে আলহি, অতিথিক আপ্যায়িত কৰা হ'ব। প্ৰতিঘৰ অসমীয়াৰ পদূলি জাউৰিয়ে জাউৰিয়ে বিহুনাম, ঢোলৰ গুমগুমনি, পেঁপা-গগনাৰ মধুৰ ঐক্যতানত মুখৰিত হ'ব। সাত বিহুলৈকে চলিবলগীয়া এই ৰং-উলাহৰ সময়ক আদৰিবলৈ ৰাজ্যৰ প্ৰান্তে প্ৰান্তে এতিয়া উৎসৱপ্ৰেমী জনগনৰ শেষ প্ৰস্তুতি চলিছে। বিহুৰ বাবে প্ৰয়োজনীয় বিবিধ সামগ্ৰীৰে বজাৰ উভৈনদী হৈ পৰিছে।

আদৰৰ ৰঙালী বিহুটি উদযাপন কৰিবলৈ অন্যান্য জনগোষ্ঠীয় লোকসকলেও পৰম্পৰাগত ৰীতি-নীতিৰে ব্যাপক প্ৰস্তুতি চলাইছে। আজি গৰু বিহু পালনৰ পাছত কাইলৈ বাথৌ মন্দিৰত প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা তুলি লৈ গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গাব। এই উৎসৱ ৭ দিন ধৰি চলিব। বাক্সা জিলাৰ গধূলি গাঁৱৰ কৃষক ৰাইজে কালদিয়া নদীলৈ আহি গৰু গা ধুৱাই পৰম্পৰাগত ৰীতি-নীতিৰে খাম, চিফুং, চেৰজাৰ তালে তালে বৈশাগু নৃত্য কৰে। একেদৰে জিলাখনৰ সদৰ মুছলপুৰ, মহকুমা সদৰ শালবাৰী, অঞ্চলী, জালাহ, শিমলা, বৰমা, সাউদৰভিঠা, আনন্দবজাৰ, বাঁহবাৰী আদি বিভিন্ন ঠাইত পৰম্পৰাগত ৰীতি-নীতিৰে আজি গৰু বিহু উদযাপন কৰা হয়। এই সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে কয়–

**ভইচকাষ্ট (দামোদৰ তালুকদাৰ)**

গোৱালপাৰা জিলাৰ ৰংডোবা গাঁৱৰ বড়ো জনগোষ্ঠীৰ লোকসকলে বৈশাগু উৎসৱৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। গাঁওখনত অহা ১১ আৰু ১২ ব'হাগত ৰংজালী বৈশাগু উৎসৱ পালন কৰা হ'ব। ইয়াৰ বাবে প্ৰতিদিনে বাগৰুম্বা নৃত্যৰ অনুশীলন চলি আছে। আনহাতে কোচ ৰাজবংশীসকলেও তেওঁলোকৰ জাতীয় উৎসৱ বিষুৱা উদযাপন কৰিব। ০০০০

০০০০

অসম সাহিত্য সভাই কাইলৈ অৰ্থাৎ পহিলা ব'হাগৰ দিনটো নিজৰ দিন হিচাপে উদযাপন কৰিব। সভাৰ প্ৰধান সম্পাদক দেবজিৎ বৰাই প্ৰকাশ কৰা মতে ৰাজ্যৰ ভাষা সাহিত্য, সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ বাবে কাম কৰি থকা তথা জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা ৫ হাজাৰ গৰাকী ব্যক্তিক কাইলৈ পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজাৰ ভিতৰত সাহিত্য সভাৰ বিষয়ববীয়াই ঘৰে ঘৰে গৈ সন্মানিত কৰিব। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে দেশৰ অন্যান্য ৰাজ্য আৰু বিদেশতো নিজৰ দিন উপলক্ষে কাইলৈ জাতীয় জীৱনলৈ বৰঙণি যোগোৱা ৬৫ বছৰ উৰ্ধৰ ব্যক্তিসকলক সাহিত্য সভাৰ উদ্যোগত ওলগনি পত্ৰ প্ৰেৰণ কৰি সন্মানিত কৰা হ'ব। ইপিনে সাহিত্য সভাৰ উদ্যোগত আজি লক্ষ্মীৰাম বৰুৱা সদনত ব'হাগ আদৰণি উৎসৱ নামেৰে বিশেষ কাৰ্যসূচী হাতত লোৱা হয়। অসম সাহিত্য সভা আৰু কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ যুটীয়া উদ্যোগত কাইলৈ ব'হাগৰ পহিলা দিনটোত ১৪৩৩ ভাস্কৰাব্দলৈ আদৰণি আৰু ভাস্কৰাব্দ সূচনা দিৱস শীৰ্ষক এটা অনুষ্ঠানৰো আয়োজন কৰা হৈছে। গুৱাহাটীৰ আমবাৰীস্থিত সংগীতাচাৰ্য লক্ষ্মীৰাম সদনত এই অনুষ্ঠানটি আয়োজিত হ'ব।

০০০০

বিহাৰৰ উপ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা সম্ৰাট চৌধুৰীয়ে কাইলৈ দিনৰ এঘাৰ বজাত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। শ্ৰীচৌধুৰী ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পদত অধিস্থিত বিজেপিৰ প্ৰথমগৰাকী নেতা হব। শ্ৰীচৌধুৰীয়ে আজি ৰাজ্যপাল, অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল চৈয়দ অটা হচনেইনক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে টেলিফোনযোগে কথা পাতে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কয় যে তেওঁলোকে পশ্চিম এচিয়াৰ পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে আৰু হৰমুজ প্ৰণালী মুক্ত আৰু নিৰাপদ কৰি ৰখাত গুৰুত্ব আৰোপ কৰে। আলোচনাত দুয়োখন দেশে বিভিন্ন খণ্ডৰ দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয় বুলি তেওঁ উল্লেখ কৰে। ০০০০

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে-কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ১৯৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত চেন্নাই চুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ১৯২ ৰান সংগ্ৰহ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ